NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰে।

২। ২০ মে'ত অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত মুঠ ৬২ দশমিক ২-০ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি ভগৱান বুদ্ধৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে।

*আৰু*

৪। ৰাজস্থান ৰয়েলছ কাইলৈ চেন্নাইত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000000

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্যায়ত অহা ২৫ মে'ত ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু-কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

এই সমষ্টি কেইটাৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পৰহিলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব।

প্ৰচাৰৰ আজি অন্তিম দিনা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়াণাৰ মহেন্দ্ৰগড়ত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। ভাষণত শ্ৰী মোদীয়ে আই এন ডি আই মিত্ৰজোঁটে ৰাষ্ট্ৰতকৈ নিজৰ পৰিয়ালক অধিক অগ্ৰাধিকাৰ প্ৰদান কৰে বুলি অভিযোগ তোলে। তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁট ইতিমধ্যে প্ৰথম ৫টা পৰ্যায়তেই নিৰ্বাচনত পৰাজয় বৰণ কৰিছে আৰু নিৰ্বাচন আয়োগৰ তথ্য আৰু ই ভি এমক লৈ প্ৰশ্ন উত্থাপন কৰাৰ লগতে বিভিন্ন ভিত্তিহীন অভিযোগ উত্থাপন কৰিবলৈ লৈছে। তেওঁ লগতে কংগ্ৰেছে দশক দশক ধৰি এটা পদবী, এটা পেন্সন ব্যৱস্থাৰ পৰা বঞ্চিত কৰি প্ৰাক্তন সৈনিকসকলৰ সৈতে বিশ্বাসঘাটকতা কৰা বুলি অভিযোগ তোলে। বৰ্তমান চৰকাৰে এটা পদবী, এটা পেন্সন ব্যৱস্থাৰ ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে এক লাখ ২৫ হাজাৰ কোটি টকা ব্যয় কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি একেটা সমষ্টিত এখন নিৰ্বাচনী সভাত ভাষণ দি বিজেপিয়ে অগ্নিবীৰ আঁচনিৰে

ভাৰতীয় সেনাক অপমান কৰা বুলি অভিযোগ উত্থাপন কৰিছে। তেওঁ লগতে আই এন ডি আই মিত্ৰজোঁটে ক্ষমতালৈ আহিলে আঁচনিখন প্ৰত্যাহাৰ কৰিব বুলি মন্তব্য কৰিছিল।

ওড়িশাতো ষষ্ঠ পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা আজি বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ অন্তিম প্ৰয়াস চলায়। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ সমান্তৰালভাৱে বিধানসভাৰ ৪২খন আখনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা যোগী আদিত্য নাথ আৰু বিজেপিৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ বিভিন্ন ঠাইত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। তেওঁলোকে সকলো ক্ষেত্ৰত ওড়িশাক পিছুৱাই লৈ যোৱাৰ বাবে বি জে ডি নেতৃত্বাধীন নবীন পাটনায়ক চৰকাৰক তীব্ৰ সমালোচনা কৰে আৰু বিজেপিক ৰাজ্যখনত প্ৰথমবাৰৰ বাবে চৰকাৰ গঠন কৰাৰ সুযোগ প্ৰদান কৰিবলৈ ভোটদাতাসকলক আহ্বান জনায়।

দিল্লীৰ সাতোখন লোকসভা আসনৰ বাবেও প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি পশ্চিম দিল্লী লোকসভা সমষ্টিৰ দ্বাৰকাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। দলীয় প্ৰাৰ্থীৰ সমৰ্থনত দিয়া ভাষণত তেওঁ কয় যে ভাৰতবৰ্ষই ৰামৰাজ্যৰ উত্থান দেখিবলৈ পোৱাটো নিশ্চিত আৰু ইয়াত কোনেও প্ৰতিহত কৰিব নোৱাৰে। দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয মন্ত্ৰী পীয়ুষ গোৱেলেও পশ্চিম দিল্লীৰ নজফগড় এলেকাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। একেদৰে বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে চান্দনী চ'ক সংসদীয় সমষ্টিৰ অশোক বিহাৰ এলেকাত এটা ৰোড শ্ব'ত ভাগ লোৱাৰ বিপৰীতে দলটোৰ নেতা তথা ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই উত্তৰ-পশ্চিম দিল্লীৰ সংসদীয় সমষ্টিৰ ৰোহিণী এলেকাত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ-পূব দিল্লীৰ সংসদীয় সমষ্টিৰ দিলশ্বাদ গাৰ্ডেন এলেকাৰ এখন নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰি কয় যে এই চৰকাৰখনে দৰিদ্ৰতা আৰু অ-সমতাক দীৰ্ঘস্থায়ী কৰিবলৈ বিচাৰিছে। চৰকাৰখনে সৰ্বসাধাৰণৰ বাবে নহয়, বৰঞ্চ নিৰ্দিষ্ট একাংশ বৃহৎ ব্যৱসায়ীৰ হৈহে কাম কৰা বুলি তেওঁ অভিযোগ কৰে। নিবনুৱা সমস্যাৰ বাবে দেশৰ যুৱ সম্প্ৰদায় বেয়া ধৰণে ক্ষতিগ্ৰস্ত হৈছে বুলিও নেতাগৰাকীয়ে দাবী কৰে। একেদৰে আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে ৰোড শ্ব'কে ধৰি বিভিন্ন ধৰণে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

০০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে দাবী কৰিছে যে, এইবাৰৰ লোকসভা নিৰ্বাচনৰ জৰিয়তে নৰেন্দ্ৰ মোদী কাৰকৰ বিপৰীতে সাধাৰণ জনতাৰ দৈনন্দিন জীৱনত প্ৰভাৱ পেলোৱা স্থানীয় বিষয়ৰ ওপৰত যুঁজ দিয়া হৈছে। ইয়াৰ ভিতৰত মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যা অন্তৰ্ভুক্ত। এখন হিন্দী দৈনিক বাতৰিকাকতৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত তেওঁ বিজেপিক সমালোচনা কৰি দলটোৱে বিৰোধী নেতাৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয়ে অভিযোগ কৰে। কেজৰিৱালে লগতে অভিযোগ কৰে যে, বিজেপিয়ে সংৰক্ষণ ব্যৱস্থা ধ্বংস কৰাৰ চেষ্টা কৰিছে। তেওঁ দিল্লীত মহল্লা ক্লিনিক,

বিনামূলীয়া বিদ্যুৎ সেৱা আৰু চৰকাৰী বিদ্যালয়সমূহৰ উন্নতিকে ধৰি তেওঁৰ চৰকাৰৰ পদক্ষেপসমূহৰ এক তালিকা প্ৰস্তুত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰে যে, আই এন ডি আই এ মিত্ৰজোঁট ক্ষমতালৈ আহিলে তেওঁলোকৰ দলে নিশ্চয়তা পূৰণ কৰিব।

oooooooo

২০ মে'ত অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত মুঠ ৬২ দশমিক ২-০ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ইয়াৰ ভিতৰত ৬১ দশমিক ৪-৮ শতাংশ পুৰুষ, ৬৩ শতাংশ মহিলা আৰু ২১ দশমিক ৯-৬ শতাংশ তৃতীয় লিংগৰ ভোটদাতা আছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই পৰ্যায়ত পশ্চিমবংগত সৰ্বাধিক ৭৮ দশমিক ৪-৩ শতাংশ মহিলা ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। আয়োগৰ তথ্য অনুসৰি জম্মু-কাশ্মীৰত ৫৯ শতাংশৰো অধিক ভোটদান হয়। ইয়াৰ বিপৰীতে বিহাৰত ৫৬ দশমিক ৭-৬, ঝাৰখণ্ডত ৬৩ দশমিক ২-১, লাডাখত ৭১ দশমিক ৮-২, মহাৰাষ্ট্ৰত প্ৰায় ৫৬ দশমিক ৮-৯, ওড়িশাত ৭৩ দশমিক ৫-০, উত্তৰ প্ৰদেশত প্ৰায় ৫৮ দশমিক ০-২ আৰু পশ্চিমবংগত প্ৰায় ৭৮ দশমিক ৪-৫ শতাংশ লোকে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সংসদীয় সমষ্টি সামৰি লোৱা হয়। এই সমষ্টি কেইটাৰ বাবে মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবংগৰ ৭টা, বিহাৰ আৰু ওড়িশাৰ ৫টাকৈ, ঝাৰখণ্ডৰ ৩টা আৰু জম্মু-কাশ্মীৰ তথা লাডাখত এটাকৈ সমষ্টিৰ বাবে ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়।

oooooooo

দেশৰ বিভিন্ন প্ৰান্তত আজি ভগৱান বুদ্ধৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে বুদ্ধ পূৰ্ণিমা উপলক্ষে দেশবাসীক ওলগ জনাইছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাত কয় যে ভগৱান গৌতম বুদ্ধই মানৱ জাতি আৰু সকলো জীৱৰ প্ৰতি সত্য, অহিংসা, সম্প্ৰীতি আৰু মৰম ভালপোৱাৰ বাৰ্তা দি থৈ গৈছে। তেওঁ কয় যে ভগৱান বুদ্ধ সহিষ্ণুতা, আত্মসজাগতা আৰু সুআচৰণৰ শিকনিসমূহে সকলোকে মানৱ জাতিৰ সেৱাৰ বাবে উদ্বুদ্ধ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয় যে ভগৱান গৌতম বুদ্ধৰ শিকনিসমূহৰ মাজত নৈতিক আচৰণ, মানসিক অনুশাসন আৰু প্ৰজ্ঞাৰ সৈতে সংপৃক্ত জীৱন অনুসৰণৰ ৰূপান্তৰকামী পৰিকল্পনা নিহিত হৈ আছে। শ্ৰীধনখড়ে কয় যে ভগৱান বুদ্ধৰ চতুৰাৰ্য সত্য আৰু অষ্টমাৰ্গৰ তত্বই জনসাধাৰণৰ মৰম, ভালপোৱা, কৰুণা আৰু অহিংসাৰ পথ অনুসৰণ কৰাত সহায় কৰি আহিছে।

oooooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ক্ৰীড়া কোটাৰ অধীনত পুৰুষ আৰু মহিলাৰ ২৪টা পদৰ বাবে নিযুক্তিৰ অধিসূচনা প্ৰকাশ কৰিছে। এই নিযুক্তি লেবেল একৰ পৰা পঞ্চমলৈকে বিভিন্ন পদৰ বাবে হ'ব। পদসমূহৰ বাবে আবেদনৰ অন্তিম দিন ৯ জুন ধাৰ্য্য কৰা হৈছে। আগ্ৰহী প্ৰাৰ্থীয়ে www.nfr.indianrailwasy.gov.in ৱেবচাইট যোগে আবেদন কৰিব পাৰিব। ভাৰোত্তোলন, গল্ফ, বক্সিং, চাইক্লিং, ক্ৰিকেট, বেডমিণ্টন, ফুটবল,

টেবল টেনিচ আদি ক্ৰীড়া ক্ষেত্ৰৰ খেলুৱৈসকলে এই পদসমূহৰ বাবে অনলাইন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আবেদন কৰিব পাৰিব।

00000000

বিজেপিৰ জ্যেষ্ঠ নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে আজি কয় যে, আম আদমী পাৰ্টীৰ নেতা মনীষ ছিছ'দিয়াৰ জামিন আবেদনৰ সন্দৰ্ভত দিল্লী উচ্চ ন্যালয়ৰ ৰায়দান সাক্ষী যে আপৰ আন সদস্যসকলৰো ছিছ'দিয়াই সৰবৰাহ কৰা ধনত অংশীদাৰিত্ব আছে। আজি নতুন দিল্লীত এখন সংবাদমেলৰ জৰিয়তে ইৰাণীয়ে কয় যে, জামিন আবেদনৰ প্ৰেক্ষাপটত আদালতে প্ৰকাশ কৰা তিনিটা পৰ্যৱেক্ষণে এই দুৰ্নীতি প্ৰমাণিত আৰু প্ৰতিফলিত হৈছে। তেওঁ লগতে কয় যে, আদালতে কেৱল মানি লোৱাই নহয় ছিছ'ডিয়াই ১০০ কোটি টকা দুৰ্নীতিৰ বাবে যে চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰ কৰিছিল সেই বিষয়েও উল্লেখ কৰিছে। ইৰাণীয়ে কয় যে আদালতৰ পৰ্যৱেক্ষণৰ মতে মনীষ ছিছ'ডিয়াই প্ৰমাণ ধ্বংস কৰিছিল আৰু যদিহে জামিন লাভ কৰে তেওঁ সাক্ষীসকলক অসুবিধা দিব পাৰে। তেওঁ লগতে কয় যে, উচ্চ ন্যায়ালয়ৰ এই পৰ্যৱেক্ষণসমূহ বৰ্তমান ৰাজহুৱা কৰা হৈছে আৰু নাগৰিক সকলক মনীষ ছিছ'ডিয়াৰ লগতে আপৰ দুৰ্নীতিৰ বিষয়ে প্ৰকাশ পোৱা এই গুৰুত্বপূৰ্ণ পৰ্যৱেক্ষণসমূহ পঢ়িবলৈ আবেদন জনায়।

00000000

ৰাজস্থান ৰয়েলছ কাইলৈ চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখনত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰত ছটা উইকেট হেৰুৱাই ১৭৪ ৰাণ কৰে।

00000000

সমাপ্ত